**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-09-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১।	প্ৰধানমন্ত্ৰী জন-আৰোগ্য যোজনা আয়ুষ্মান ভাৰতে আজি সাত বছৰ সম্পূৰ্ণ কৰিছে।

২।	নতুন দিল্লীৰ ভাৰত মণ্ডপমত অহা ২৫ৰ পৰা ২৮ ছেপ্তেম্বৰলৈ বিশ্ব খাদ্য সন্মিলন ভাৰত পৰ্ব - ২০২৫ৰ চতুৰ্থ সংস্কৰণৰ আয়োজন কৰা হৈছে।

৩।	ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীত আজি ২০২৩ বৰ্ষৰ ৭১ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ প্ৰদান কৰে।

৪।	জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ শেষকৃত্য আজি গুৱাহাটীৰ সমীপৰ কমাৰকুছিত সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে সম্পন্ন কৰা হয়।

***আৰু***

৫।	সমাগত দীপাৱলী আৰু ছট পূজাৰ সময়ছোৱাত ৰে'ল বিভাগে যাত্ৰীসকলৰ সুবিধাৰ বাবে কেইবাখনো বিশেষ ৰে'লৰ চলাচলৰ ব্যৱস্থা কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী জন-আৰোগ্য যোজনা আয়ুষ্মান ভাৰতে আজি সাত বছৰ সম্পূৰ্ণ কৰিছে। ২০১৮ চনত ঝাৰখণ্ডৰ ৰাঁচীত মুকলি কৰা এই যোজনাখন বিশ্বৰ সৰ্ববৃহৎ চৰকাৰী সাহায্যপ্ৰাপ্ত স্বাস্থ্য সুৰক্ষা আঁচনি হিচাপে পৰিগণিত হৈছে। প্ৰাথমিক আৰু কম জটিল ৰোগৰ চিকিৎসাৰ বাবে চিকিৎসালয়ত ভৰ্তি হোৱাৰ ক্ষেত্ৰত প্ৰতিটো পৰিয়ালক ৫ লাখকৈ টকাৰ স্বাস্থ্য সেৱা আগবঢ়োৱাই এই আঁচনিৰ মূল লক্ষ্য। আঁচনিখনে দেশৰ ১২ কোটিতকৈও অধিক পৰিয়ালৰ প্ৰায় ৫৫ কোটি হিতাধিকাৰীক সামৰি লৈছে।

সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই কৈছে, যে চৰকাৰ, স্বাস্থ্য কৰ্মী আৰু জনসাধাৰণৰ  উমৈহতীয়া প্ৰয়াসৰ ফলতে আয়ুষ্মান ভাৰত আঁচনিয়ে অভূতপূৰ্ব সফলতা লাভ কৰিছে। উল্লেখযোগ্য যে, ৫৫ কোটিতকৈও অধিক হিতাধিকাৰী আয়ুষ্মান ভাৰত আঁচনিয়ে দেশত স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত নতুন দিগন্তৰ সূচনা কৰিছে। যোৱা ৭ বছৰত ১০ কোটিতকৈও অধিক ৰোগীয়ে এই আঁচনিৰ অধীনত স্বাস্থ্য সেৱা সুবিধা লাভ কৰিবলৈ সমৰ্থ হৈছে। ২০২২ চনত এই আঁচনিৰ অধীনত ১২ কোটি পৰিয়ালক সামৰি লোৱা হৈছিল। ২০২৪ চনত আশা কৰ্মী, অংগনৱাড়ী কৰ্মী আৰু তেওঁলোকৰ পৰিয়ালবৰ্গকো এই আঁচনিৰ অধীনত

সামৰি লোৱা হয়। যোৱা বছৰৰ অক্টোবৰ মাহৰ পৰা ৭০ বছৰ বয়সৰ ঊৰ্ধৰ সকলো জ্যেষ্ঠ নাগৰিকক আয়ুষ্মান ৱে বন্দনা কাৰ্ডৰ জৰিয়তে এই আঁচনিত সামৰি লোৱা হৈছে। শেহতীয়াকৈ অংশকালীন আৰু ঠিকাভিত্তিক কৰ্মীসকলকো হিতাধিকাৰীৰ তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে। সমগ্ৰ দেশতে ১ লাখ ৮০ হাজাৰতকৈও অধিক আৰোগ্য মন্দিৰ কাৰ্য্যক্ষম হৈ আছে। এই কেন্দ্ৰসমূহে দেশৰ জনসাধাৰণক সুৰক্ষিত, বিশ্বাসযোগ্য আৰু উন্নত মানৰ স্বাস্থ্য সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আহিছে।

০০০০০

নতুন দিল্লীৰ ভাৰত মণ্ডপমত অহা ২৫ৰ পৰা ২৮ ছেপ্তেম্বৰলৈ বিশ্ব খাদ্য সন্মিলন ভাৰত পৰ্ব - ২০২৫ৰ চতুৰ্থ সংস্কৰণৰ আয়োজন কৰা হৈছে। খাদ্য প্ৰসংস্কৰণ ক্ষেত্ৰত  বিনিয়োগ বৃদ্ধি তথা ভাৰতৰ অতিকৈ সমৃদ্ধ খাদ্য সংস্কৃতিৰ সৈতে বিশ্ববাসীক পৰিচয় কৰোৱাৰ লক্ষ্যৰে এই খাদ্য সন্মিলনৰ আয়োজন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা বৃহস্পতিবাৰে আনুষ্ঠানিকভাৱে এইবাৰৰ খাদ্য সন্মিলন মুকলি কৰিব। খাদ্য প্ৰসংস্কৰণ উদ্যোগ মন্ত্ৰী চিৰাগ পাছোৱানে আজি নতুন দিল্লীত আয়োজিত এখন সংবাদমেলত এই কথা সদৰী কৰে। তেওঁ কয়, যে বিশ্ব খাদ্য সন্মিলন ভাৰত পৰ্ব মাথো এখন বাণিজ্য মেলাই নহয়, বৰঞ্চ আমাৰ দেশক খাদ্য উদ্ভাৱন, বিনিয়োগ আৰু বহন ক্ষমতাৰ ক্ষেত্ৰত গোলকীয় কেন্দ্ৰৰূপে দৰ্শাবলৈ ই এখন উপযুক্ত মঞ্চ। আজিৰ অনুষ্ঠানতে শ্ৰীপাছোৱানে খাদ্য প্ৰসংস্কৰণৰ বিভিন্ন ধাৰণা সন্দৰ্ভত সঘনাই উত্থাপিত প্ৰশ্ন শীৰ্ষক এখন তথ্যভিত্তিক পত্ৰিকা মুকলি কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বৰ কেন্দ্ৰীয় চৰকাৰে সেৱা আৰু সুশাসনক মূল মন্ত্ৰ হিচাপে লৈ উন্নয়ন আৰু পৰিৱৰ্তনৰ দিশত বিৰামহীনভাৱে কাম কৰি আছে। প্ৰধানমন্ত্ৰী মোদীয়ে দেশৰ যুৱ প্ৰজন্মক সবল কৰি তোলাৰ উদ্দেশ্যে ২০১৫ চনৰ ১৫ জুলাইত কৌশল বিকাশ যোজনা মুকলি কৰিছিল। এই আঁচনিয়ে বৰ্তমান এটা দশক সম্পূৰ্ণ কৰিছে। এই আঁচনিখনৰ অধীনত যোৱা জুলাই মাহলৈ দেশৰ প্ৰায় ১ কোটি ৬৩ লাখ যুৱক-যুৱতীক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। এইসকলৰ ৪৫ শতাংশই মহিলা। আঁচনিখনৰ চতুৰ্থ পৰ্য্যায় ইতিমধ্যে আৰম্ভ হৈছে আৰু অহা বছৰলৈ এই পৰ্য্যায়ৰ কাম-কাজ চলি থাকিব। উল্লেখযোগ্য যে, এই আঁচনিখনৰ অধীনত প্ৰশিক্ষণ প্ৰদান কৰা যুৱক-যুৱতীসকলক মনে বিচৰা বৃত্তিক অগ্ৰাধিকাৰ দিয়াৰ বাবে উৎসাহিত কৰাই নহয়, তেওঁলোকক ব্যৱসায় আৰম্ভ কৰাৰ বাবেও সমৰ্থন আগবঢ়াই অহা হৈছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীত আজি ২০২৩ বৰ্ষৰ ৭১ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ প্ৰদান কৰে।  চলচ্চিত্ৰ নিৰ্মাণ, অভিনয়, কাহিনী কথনকে ধৰি বিভিন্ন শিতানত ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ প্ৰদান কৰা হয়। প্ৰখ্যাত অভিনেতা, পৰিচালক তথা প্ৰযোজক মোহন লালক চলচ্চিত্ৰ জগতৰ সৰ্বোচ্চ সন্মান দাদা চাহেব ফাল্কে বঁটা আগবঢ়োৱা হয়। হিন্দী চলচ্চিত্ৰ **টুৱেল্‌ভথ ফে'ল**লৈ শ্ৰেষ্ঠ চলচ্চিত্ৰৰ বঁটা প্ৰদান কৰা হয়। শ্ৰেষ্ঠ হিন্দী বোলছবিৰ বঁটা **কটহল - এ জেক ফ্ৰুট মিস্তৰি**লৈ আগবঢ়োৱা হয়। জৱান বোলছবিত কৰা অভিনয়ৰ বাবে শ্বাহৰুখ খানক আৰু টুৱেল্‌ভথ ফে'লত কৰা অভিনয়ৰ বাবে বিক্ৰান্ত মেচিক যুটীয়াভাৱে শ্ৰেষ্ঠ অভিনেতাৰ পুৰস্কাৰ  প্ৰদান কৰা হয়। **মিছেছ চেট্টাৰ্জী ভাৰ্ছেছ নৰৱে** শীৰ্ষক ছবিৰ বাবে ৰাণী মুখাৰ্জীক শ্ৰেষ্ঠ

অভিনেত্ৰীৰ পুৰস্কাৰ আগবঢ়োৱা হয়। সুদীপ্ত সেনৰ **দ্যা কেৰালা** ছবিখনে শ্ৰেষ্ঠ পৰিচালকৰ বঁটা লাভ কৰে। শিল্পা ৰাও আৰু পি ভি এন এছ ৰোহিতক সৰ্বশ্ৰেষ্ঠ নেপথ্য গায়ক-গায়িকাৰ পুৰস্কাৰ প্ৰদান কৰা হয়। ৰাজ্যৰ বিশিষ্ট চলচ্চিত্ৰ সমালোচক উৎপল দত্তলৈ শ্ৰেষ্ঠ চলচ্চিত্ৰ সমালোচকৰ বঁটা আগবঢ়োৱা হয়। পৰিচালক শিল্পীকা বৰদলৈয়ে মও - দ্যা স্পিৰিট ড্ৰীমজ অৱ চেৰাও শীৰ্ষক চলচ্চিত্ৰৰ বাবে শ্ৰেষ্ঠ নৱাগত পৰিচালকৰ বঁটা গ্ৰহণ কৰে। বঁটা প্ৰদান কাৰ্য্যসূচীৰ পাছত দিয়া ভাষণত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে চলচ্চিত্ৰ উদ্যোগত শহেতীয়াকৈ যথেষ্ট সংখ্যক মহিলাকেন্দ্ৰিক ছবি নিৰ্মাণক লৈ সন্তোষ প্ৰকাশ কৰাৰ লগতে তেনে ছবিসমূহে বঁটা লাভ কৰাটো সমাজৰ বাবে এটা ইতিবাচক বাৰ্তা বুলি তেওঁ মন্তব্য কৰে।

ooooo

লাখ লাখ সংগীতপ্ৰেমীক শোকসাগৰত ডুবাই আকস্মিকভাৱে পৃথিৱীৰ মায়া এৰি যোৱা জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ শেষকৃত্য আজি গুৱাহাটীৰ সমীপৰ কমাৰকুছিৰ ‘জুবিনক্ষেত্ৰ’ত সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে সম্পন্ন কৰা হয়। অগণন অনুৰাগীয়ে অশ্ৰু অঞ্জলিৰে প্ৰাণৰ শিল্পীজনক শেষ শ্ৰদ্ধা জনোৱাৰ লগতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, প্ৰধানমন্ত্ৰীৰ প্ৰতিনিধি হিচাপে কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজু, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়েও সমাধিস্থলীত প্ৰিয় শিল্পীগৰাকীক শ্ৰদ্ধা নিবেদন কৰে। অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰীৰ হৈ ৰাজ্যখনৰ আৱাসিক আয়ুক্তই জনতাৰ শিল্পীজনক শেষ শ্ৰদ্ধা জনায়।

শেষকৃত্যত অনুৰাগীৰ ভিৰৰ প্ৰতি লক্ষ্য ৰাখি আজি ৰাষ্ট্ৰীয় ঘাইপথ দুপৰীয়া ২ বজালৈ বন্ধ ৰখা হয়। আকাশবাণী গুৱাহাটী কেন্দ্ৰই জুবিন গাৰ্গৰ অন্তিম যাত্ৰা তথা শেষকৃত্যৰ চলন্ত বিৱৰণী প্ৰচাৰ কৰে।

জুবিন গাৰ্গৰ পৰিয়ালৰ সিদ্ধান্তমৰ্মে শিল্পীগৰাকীৰ ১৩ দিনীয়া শ্ৰাদ্ধানুষ্ঠান যোৰহাটত পালন কৰা হ’ব আৰু সেইদিনাই তেওঁৰ চিতাভস্ম যোৰহাটৰ ৰাইজক আনুষ্ঠানিকভাৱে অৰ্পণ কৰা হ’ব।

ooooo

ৰে’ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে সমাগত দীপাৱলী আৰু ছঠ পূজাৰ সময়ছোৱাত যাত্ৰীসকলৰ সুবিধাৰ্থে কেইবাখনো বিশেষ ৰে’লৰ ব্যৱস্থা কৰা হৈছে বুলি জানিবলৈ দিছে। আজি নতুন দিল্লীত আয়োজিত এখন সংবাদমেলত এই বিষয়ে সদৰী কৰি শ্ৰীবৈষ্ণৱে কয়, যে এই বিশেষ ৰে’লগাড়ীসমূহ অহা ১ অক্টোবৰৰ পৰা ১৫ নবেম্বৰলৈকে চলাচল কৰিব।

উৎসৱৰ সময়ছোৱাত উত্তৰ-পূব সীমান্ত ৰে’লৱেই ৪৬ খন বিশেষ ৰে’লগাড়ীৰ ব্যৱস্থা কৰাৰ কথা ঘোষণা কৰিছে। দুৰ্গা পূজা, দীপাৱলী আৰু ষট পূজাৰ সময়ছোৱাত যাতে যাত্ৰীসকল অসুবিধাৰ সন্মুখীন হ’বলগীয়া নহয়, তাৰপ্ৰতি লক্ষ্য ৰাখিয়ে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই উৎসৱ বিশেষ ৰে’লগাড়ীসমূহ কাটিহাৰ, সোণপুৰ, দৌৰাম মাধেপুৰা, মণিহাৰী, আগৰতলা, ধৰ্মনগৰ, নিউ তিনিচুকীয়া, এছ এম ভি টি বেংগালুৰু, অমৃতসৰ, নিউ জলপাইগুৰি, গুমটিনগৰ, কিষাণগঞ্জ, নাহৰকটীয়া গঞ্জ, পাটনা, ডিব্ৰুগড়, গোৰখপুৰ, শিলচৰ, নাহৰলগুণ, কলকাতা আৰু গুৱাহাটীৰ দৰে গুৰুত্বপূৰ্ণ স্থানসমূহৰ মাজত চলাচল কৰিব।

ooooo

এছিয়া কাপ টি-২০ প্ৰতিযোগিতাৰ ছুপাৰ-ফ'ৰ পৰ্যায়ৰ এখন খেলত আজি পাকিস্তান শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আবু ধাবিৰ শ্বেখ জায়েদ ষ্টেডিয়ামত হ'বলগীয়া এই খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব। ছুপাৰ ফ'ৰ পৰ্য্যায়ৰ আন এখন খেলত ভাৰতে কাইলৈ বাংলাদেশৰ বিৰুদ্ধে খেলিব।

০০০০০

সমাপ্ত